**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-08-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৰাজ্যত অহা ৫ বছৰত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ণৰ বাবে ৫০ হাজাৰ কোটি টকা বিনিয়োগত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।

২। অহা ২ আৰু ৩ ছেপ্তেম্বৰত দেৰগাঁৱত হ'বলগীয়া আৰক্ষী অধীক্ষকৰ সন্মিলনত মাদক দ্ৰব্য সৰবৰাহ প্ৰতিৰোধক মূল বিষয় হিচাপে লোৱাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৩। নেপালৰ বানৰ পাছত জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰতৰ। অসমৰ ৮ জন লোকৰ নিৰাপদে দেশলৈ প্ৰত্যাৱৰ্তন।

৪। সোণাপুৰৰ ক্ষেত্ৰীত কালি সংঘটিত পথ দুৰ্ঘটনাত ৬ জন লোকৰ মৃত্যু, কেইবাজনো গুৰুতৰভাৱে আহত।

**আৰু**

৫। ডুবাইত যোৱা নিশা অনুষ্ঠিত টি-২০ এছিয়া কাপ মহিলা ক্ৰিকেটত থাইলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৯৪ ৰানত জয়লাভ। ০০০০০

০০০০০০

বিকশিত অসমৰ ভেটি নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ ইনফ্ৰা ভিজনৰ অংশ হিচাপে অহা ৫ বছৰত অসমত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ন কৰিবলৈ ৫০ হাজাৰ কোটি টকা বিনিয়োগত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। এই বৈঠকত স্বচ্ছ শক্তিৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত ৩০ মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টনৰ লগতে ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণ্টনৰো সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনাত অনুমোদন দিয়া হৈছে।

অহা ১ ছেপ্তেম্বৰত উজনি অসমৰ বান ক্ষতিগ্ৰস্ত চাৰিখন জিলাৰ সাহয্য লাভৰ পৰা বাদ পৰি যোৱা লোকসকলক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। তদুপৰি জীৱন প্ৰেৰণা আঁচনিৰ উপৰি চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো ১ ছেপ্তেম্বৰত প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

(বাইট)

বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃগাঁথনিৰ বাবে ১০৯ কোটি টকা আৱণ্টন দিয়াৰ লগতে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী সময়তো ১৪০ কোটি টকা আৱণ্টন দিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৭ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণৰ কাৰ্যসূচীত এই পুঁজি বিশ্ববিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী

চিকিৎসা মহাবিদ্যালয়ত ৬০০ কোটি টকা ব্যয়সাপেক্ষে এটা প্ৰ'টন বীম থেৰাপি কেন্দ্ৰ স্থাপনত কেবিনেটে অনুমোদন জনায়। দেশৰ ভিতৰতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল এই বিশেষ যন্ত্ৰ সংযোজিত হোৱা প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হিচাপে চিহ্নিত হ'ব। বান বিধ্বস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীক ছেপ্তেম্বৰ মাহত দুহেজাৰ টকাকৈ ধন মোকলাই দিয়াৰ সিদ্ধান্ত কেবিনেটত গ্ৰহণ কৰা হয়।

(বাইট)

মন্ত্ৰীসভাই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দোকানত ৰাজ সাহায্যযুক্ত মচুৰ দাইল আৰু চেনি ১০৫ টকাৰ যৌথ মূল্যৰে বিতৰণ অব্যাহত ৰখাত অনুমোদন জনাইছে। ইয়াৰ ফলত ৭০ লাখৰো অধিক পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰে নিচাযুক্ত দ্ৰব্য সৰবৰাহ আৰু অপৰাধমূলক কাৰ্য্যকলাপৰ বিৰুদ্ধে তীব্ৰ অভিযান অব্যাহত ৰাখিছে। অহা দুই আৰু ৩ ছেপ্তেম্বৰত দেৰগাঁৱত হ'বলগীয়া আৰক্ষী অধীক্ষক সকলৰ সন্মিলনত মাদক দ্ৰব্য সৰবৰাহ প্ৰতিৰোধক মূল বিষয় হিচাপে লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিচপুৰত সংবাদ মেলত প্ৰকাশ কৰে। তেওঁ কয় যে, মাদক দ্ৰব্য সম্পৰ্কীয় অভিযোগত ২০২১ চনৰ পৰা অসমত ২৬ হাজাৰ ৫০০ ৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৩ হাজাৰ ২৫৩ কোটি টকাৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে। ম্যানমাৰৰ পৰা মিজোৰাম আৰু মণিপুৰৰ মাজেৰে বিভিন্ন পথেৰে অসমলৈ অনা এই সামগ্ৰী সমূহ ৰাজ্যখনৰ পৰা দেশৰ বাকী অংশলৈ সৰবৰাহ কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। নতুনকৈ অৰুণাচলৰ চাংলাং জিলাৰ মাজেৰে অসমলৈ মাদক দ্ৰব্য সৰবৰাহ কৰিবলৈ এটা চক্ৰই চেষ্টা চলাইছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্ব আৰু সমৰ্থনত ম্যানমাৰৰ সৈতে উন্নত সমন্বয়, ৰাজ্যিক সীমান্তত কঠোৰ নিৰাপত্তা আৰু ক্ষিপ্ৰতাৰে চোৰাংচোৱাৰ তথ্য বিনিময়ৰ দ্বাৰা মাদক দ্ৰব্য সৰবৰাহ ৰোধ কৰাৰ চেষ্টা চলাই থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে। ভাৰত আৰু চীনৰ বিশেষজ্ঞকে ধৰি উদ্ধাৰকাৰী দলে এই লোকসকলৰ সৈতে যোগাযোগৰ চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সুৰংগৰ ভিতৰৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই। এতিয়ালৈকে সন্ধানহীন হৈ থকা দুহেজাৰ ৫০০ লোকৰ ভিতৰত কেইবাশ লোক এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ কৰ্মী আছিল বুলি সন্দেহ কৰা হৈছে। দেশখনৰ এই দুৰ্যোগত কমেও ৭৯৪ জন লোকৰ মৃত্যু হৈছে আৰু দুহেজাৰ ৫০০ৰো অধিক লোক সন্ধানহীন হৈ আছে। তিববতত চৰকাৰী তথ্য অনুসৰি ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪৬ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নেপালৰ বানত প্ৰভাৱিত আঠোখন জিলাৰ পৰা মৃতদেহসমূহ উদ্ধাৰ কৰি আছে। ত্ৰিশূলী নদীত কালি নতুনকৈ অহা বানে মধ্য নেপালৰ এখন ওলমা দলং উটুৱাই লৈ যায়।

ইপিনে নেপালৰ বিধবংসী বানত আবদ্ধ ৰাজ্যৰ ৮ জন লোক কালি নিৰাপদে দেশলৈ উভতি আহে। কাঠমাণ্ডুৰ পৰা বিমানেৰে এই লোককেইজনক শিলিগুৰি সীমান্তলৈ অনা হয় আৰু পাছত ধুবুৰী আৰক্ষীয়ে শিলিগুৰিৰ পৰা অসমলৈ আনে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত ৰাজ্য চৰকাৰৰ অজ্ঞাতে নেপালত অসমৰ আৰু অধিক লোক আবদ্ধ হৈ থকাৰ সম্ভাৱনা ব্যক্ত কৰে।

০০০০০০০০

সোণাপুৰৰ ক্ষেত্ৰীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো গুৰুতৰভাৱে আহত হয়। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে গুৱাহাটী অভিমুখী এখন যাত্ৰীবাহী বাহনে ডিভাইডাৰত খুন্দা মাৰি নিয়ন্ত্ৰণ হেৰুৱাৰ পাছতে বিপৰীত দিশৰ পৰা আহি থকা এখন মালবাহী ট্ৰাকত খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। পথৰ মাজত থকা দ' গাঁতত বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ তুলি কালি স্থানীয় ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ইতিমধ্যে ক্ষেত্ৰী আৰক্ষীয়ে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ দুজন লোকক সোধা-পোছাৰ বাবে আটক কৰা বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাত আহত ছজন লোক বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে।

০০০০০০০

মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত আয়োজিত অসম শিশু ভাওনা সমাৰোহ ২০২৭ৰ পৰিপ্ৰেক্ষিতত কালি ভাওনা দল আৰু উদযাপন সমিতিৰ মাজত এখন চুক্তি স্বাক্ষৰ হয়। ভোগপুৰ সত্ৰ অতিথিশালাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত উদযাপন সমিতি আৰু মধ্য মাজুলী শিল্পী সমাজৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰেৰণ কৰা ভাওনা পাণ্ডুলিপিসমূহৰ ভিতৰত  শিশু ভাওনা সমাৰোহৰ বাবে ২২ খন ভাওনা বাছনি কৰা হয়। অহা বছৰৰ ২৩ জানুৱাৰীত ১১ দিনীয়া কাৰ্যসূচীৰে এই ভাওনা সমাৰোহ অনুষ্ঠিত হ'ব বুলি সাংস্কৃতিক সমিতিৰ সভাপতি দীপক বৰুৱাই আমাৰ সংবাদদাতাৰ আগত জনাইছে।

**বাইট (দীপক বৰুৱা)**

০০০০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত, স্বজাতীয় মৈত্ৰীবন্ধন উপসমিতি, তিনিচুকীয়া জিলা সাহিত্য সভা তথা লিডু সাহিত্য সভাৰ সহযোগত লিডু ৰেল'ৰে ৰঙ্গ মঞ্চত দুদিনীয়াকৈ অনুষ্ঠিত অসম জনগোষ্ঠীয় সমন্বয় সন্মিলনৰ কালি সামৰণি পৰে। এই সন্মিলনৰ অন্তিম দিনৰ মুকলি অধিবেশনত ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভা আৰু জাতীয় সংগঠনৰ প্ৰতিনিধি সমবেত হৈ সাতামপুৰুষীয়া সম্প্ৰতিৰ নিৰ্দশন দাঙি ধৰে। মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে অংশ লৈ বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰগয়াৰীয়ে সাহিত্য সভাৰ এই পদক্ষেপক প্ৰশংসা কৰে। কালিৰ কাৰ্য্যসূচীৰ অংশ হিচাপে জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গৰ সৈতে মত বিনিময় অনুষ্ঠান অনুস্থিত হয়। ইয়াৰ লগতে ১০০০ গৰাকী শিশু আৰু কিশোৰে সমবেতভাৱে মায়াবিনী গীতটো পৰিবেশন কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দিনৰ ১১ বজাত সাংস্কৃতিক শোভাযাত্ৰা আৰু দুপৰীয়া ১২ বজাত অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত মূল সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত দেউৰী সাহিত্য সভাৰ সভাপতি বগাৰাম দেউৰী, কাৰ্বি সাহিত্য সভাৰ সভাপতি খৰচিং ইংতি, চৰ-চাপৰি সাহিত্য সভাৰ সভাপতি ড০ হাফিজ আহমেদকে ধৰি কেইবাখনো জনগোষ্ঠীয় সাহিত্য সভা আৰু সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০০০

প্ৰচণ্ড গৰমৰ প্ৰতি লক্ষ্য ৰাখি ধুবুৰীৰ শিক্ষা বিভাগে বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী আজিৰে পৰা সলনি কৰিছে। এই অনুসৰি আজি জিলাখনৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১১ বজালৈ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে পুৱা চাৰে ৭ বজাৰ দিনৰ ১২ বজালৈ পাঠদানৰ ব্যৱস্থা কৰা হৈছে। উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে পুৱা চাৰে ৭ বজাৰ দিনৰ চাৰে ১২ বজালৈ পাঠদানৰ দিহা কৰা হৈছে। ধুবুৰী জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ নিৰ্দেশ অনুসৰি এই নতুন সময়সূচী লোৱা হৈছে।

০০০০০০

অসম গণ পৰিষদৰ গুৱাহাটী আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত কালি অগপৰ সভাপতি অতুল বৰাৰ অধ্যক্ষতাত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ এখন বৈঠক অনুষ্ঠিত হয়। অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত উপস্থিত থকা এই সভাত সমাগত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন, পৌৰ নিগম, পৌৰসভা আৰু স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচনকে ধৰি দলৰ সাংগঠনিক দিশৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। শ্ৰীবৰাই অনাগত দিনত দলীয় কাৰ্যকলাপ অধিক গতিশীল কৰি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় সমিতিৰ বিভিন্ন দায়িত্ব থকা বিষয়ববীয়াসকলক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায়।

oooooooo

RANOJ PEGU/X 31-08-2026 MORN

মাতৃভাষা ৰক্ষাৰ মাধ্যমেৰেহে  নিজৰ পৰিচয় ৰক্ষা কৰিব পাৰি বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি প্ৰকাশ কৰে। অসম জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত কালি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত মাতৃভাষা সন্দৰ্ভত আয়োজিত এখন বিশেষ সভাত তেওঁ এই মন্তব্য কৰে। "জনজাতীয় বিশ্বাস , অনুশীলন, পৰম্পৰা আৰু সংস্কৃতি" শীৰ্ষক বিষয়বস্তুৰ ওপৰত আধাৰিত এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে জনজাতীয় সম্প্ৰদায়ৰ জীৱন দৰ্শনকে ধৰি সাংস্কৃতিক চেতনাৰ বিভিন্ন দিশ সন্দৰ্ভত মত প্ৰকাশ কৰে। তেওঁ কয় যে যুগ যুগ ধৰি চলি অহা বিশ্বাস , মূল্যবোধ, অনুশীলন-পৰম্পৰা আৰু সাংস্কৃতিক চেতনাৰ মাজত এখন ৰাষ্ট্ৰৰ পৰিচয়, প্ৰজন্মৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ প্ৰবাহিত হয়। তেওঁ লগতে কয় যে ৰাজ্যৰ জনজাতীয় সম্প্ৰদায়ৰ অনন্য সংস্কৃতি আৰু পৰম্পৰা আমাৰ সামূহিক ঐতিহ্যৰ এক অবিচ্ছেদ্য অংশ। এই ঐতিহ্য সংৰক্ষণ কৰাটো অতীত সুৰক্ষিত কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে নিজৰ শিপা শক্তিশালী কৰাৰ এক ডাঙৰ দায়িত্ব বুলি তেওঁ মত প্ৰকাশ কৰে। 000000

ডুবাইত যোৱা নিশা অনুষ্ঠিত টি-২০ এছিয়া কাপ মহিলা ক্ৰিকেটত ভাৰতে থাইলেণ্ডক ৯৪ ৰানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৫৯ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শেফালী বাৰ্মাই ৬৪ ৰান কৰে। প্ৰত্যুত্তৰত থাইলেণ্ডে ১৫ অভাৰ ৩টা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ৬৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি গ্ৰুপ-ডিৰ এখন খেলত বাংলাদেশ ইন্দোনেছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ উজবেকিস্তানৰ সৰ্বোচ্চ অসামৰিক সন্মান, ৰাজ্যিক কেবিনেটত গ্ৰহণ কৰা বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত, পথ দুৰ্ঘটনা, ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আংশকাকে ধৰি কেইবাটাও খবৰে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক কালি উজবেকিস্তানে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান অলি-দাৰাজলি-দ'শ্লিকেৰে সন্মানিত কৰাৰ বাতৰিটো আজি প্ৰায় সকলো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতত বাতৰিটো শিৰোনাম প্ৰধানমন্ত্ৰী মোডীক উজবেকিস্তানৰ সৰ্বোচ্চ অসামৰিক সন্মান। নিয়মীয়া

বাৰ্তা কাকতেও বাতৰিটো প্ৰধানমন্ত্ৰীক তাজখণ্ডৰ সৰ্বোচ্চ সন্মান প্ৰদান, ইউৰেনিয়াম আমদানিত চুক্তি স্বাক্ষৰ শীৰ্ষকেৰে প্ৰকাশ কৰিছে। দি আসাম ট্ৰিবিউন কাকতে আলোকচিত্ৰ সহ বাতৰিটোৰ লগতে দুয়ো ৰাষ্ট্ৰৰ মাজত সম্পন্ন হোৱা চুক্তিৰ বিষয়ে সবিস্তাৰে প্ৰকাশ কৰিছে।

ৰাজ্যিক কেবিনেটত কালি গ্ৰহণ কৰা সিদ্ধান্ত সমূহ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল যোগে সদৰি কৰে। ইয়াকে বাতৰি কাকত সমূহে আজি ভিন্ন সিদ্ধান্তত আলোকপাত কৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমীয়া খবৰ কাকতে কেবিনেটৰ ৰাজ্য সাহৰ্য্য যুক্ত চেনি আৰু মচুৰ দাইল নিৰ্ধাৰিত মূল্যত যোগান তথা অৰুণোদয়ৰ ধন বিতৰণৰ সিদ্ধান্তক আৰু দৈনিক অসম কাকতে বিভিন্ন প্ৰকল্পৰ বাবে ৫০ হাজাৰ কোটি টকাত অনুমোদন জনোৱাৰ কেবিনেটৰ সিদ্ধান্ত বিশেষ গুৰুত্ব দিছে। দা চেণ্টিলেন কাকতেও কেবিনটৰ সিদ্ধান্ত সন্দৰ্ভত সবিস্তাৰে প্ৰকাশ কৰিছে।

গুৱাহাটী পাশ্বৰ্বতী ডিমৰীয়াৰ নিকটৱৰ্তী নলগেদৰাত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ৬ জন লোকৰ প্ৰানহানি আৰু আন কেইবাজনো আহত হোৱাৰ এটা বাতৰি দৈনিক অগ্ৰদূত আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাটত সংশ্লিষ্ট জিলা প্ৰশাসনে বান সন্দৰ্ভত পুনৰ হাই এৰ্লাট জাৰি কৰাৰ বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

*ঃঃ সমাপ্ত ঃঃ*